# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। রাজ্যপালে ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে সুৰক্ষিত ৰখা বিধেয়ক সন্দৰ্ভত ৰাষ্ট্ৰপতিয়ে তিনি মাহৰ ভিতৰত সিদ্ধান্ত লোৱা উচিত বুলি উচ্চতম ন্যায়ালয়ে ৰায় দিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ হাৰিয়ানাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। ঝাৰখণ্ডত নক্সালবাদীৰ সৈতে হোৱা সংঘৰ্ষত ঝাৰখণ্ড জেগুৱাৰ বাহিনীৰ এজন জোৱান ছহিদ হৈছে।

৪। ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নাম আৰু ঋষভ যাদৱে আৰ্চাৰী বিশ্বকাপৰ প্ৰথম পৰ্যায়ত কম্পাউণ্ড শাখাৰ মিক্সড দলীয় শিতানত সোণৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। মোহন বাগান ছুপাৰ জায়েণ্টে আই এছ এল ফুটবল প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

০০০০০

রাজ্যপালে ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে সুৰক্ষিত ৰখা বিধেয়ক সন্দৰ্ভত ৰাষ্ট্ৰপতিয়ে তিনি মাহৰ ভিতৰত সিদ্ধান্ত লোৱা উচিত বুলি উচ্চতম ন্যায়ালয়ে ৰায় দিছে। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ মহাদেৱনৰ এখন বিচাৰপীঠে কালি এটা ৰায় যোগে এই বুলি স্পষ্ট কৰি দিয়ে যে, সিদ্ধান্ত লোৱাত পলম হ'লে তাৰ বৈধ কাৰণ উল্লেখ কৰাৰ লগতে সংশ্লিষ্ট ৰাজ্যক সেই বিষয়ে অৱগত কৰা উচিত। বিচাৰপীঠখনে তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবিয়ে ১০ খন বিবেচনাধীন বিধেয়ক অনুমোদন নজনোৱাৰ বাবে লোৱা সিদ্ধান্ত খাৰিজ কৰে আৰু ৰাষ্ট্ৰপতিয়েও ৰাজ্যপালে প্ৰেৰণ কৰা বিধেয়ক সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ তিনি মাহতকৈ অধিক সময় ল'ব নালাগে বুলি ৰায় দিয়ে। নিৰ্ধাৰিত সময়ৰ ভিতৰত ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাজ্যসমূহৰ ন্যায়ালয়ৰ কাষ চপাৰ অধিকাৰ আছে। সাংবিধানিক উদ্বেগৰ বাবে কোনো বিধেয়কত বাধা প্ৰদান কৰিবলগীয়া হ'লে সংবিধানৰ ১৪৩ নম্বৰ অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতিয়ে সৰ্বোচ্চ ন্যায়ালয়ৰ পৰামৰ্শ ল'ব লাগে বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ে কয়, যে ২০০ নম্বৰ অনুচ্ছেদৰ অধীনত কাৰ্যৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি ন্যায়ালয়ে ৰাজ্যপালৰ পদমৰ্যদা লাঘব কৰা নাই যদিও তেওঁলোকে সংসদীয় গণতন্ত্ৰৰ পৰম্পৰাৰ প্ৰতি যথোচিত সন্মানেৰে কাম কৰা উচিত। ২০০ নম্বৰ অনুচ্ছেদৰ অধীনত ৰাজ্যপালসকলে তেওঁলোকৰ ওচৰত দাখিল কৰা বিধেয়কত অনুমোদন জনোৱাৰ, অনুমোদনত বাধা প্ৰদান কৰাৰ অথবা ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰাৰ অধিকাৰ লাভ কৰে।

০০০০০

আম্বেদকাৰ জয়ন্তী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ হাৰিয়ানালৈ যাব। প্ৰধানমন্ত্ৰী প্ৰথমে হিছাৰত উপস্থিত হ'ব আৰু পুৱা প্ৰায় ১০ বাজি ১৫ মিনিটত হিছাৰ পৰা অযোধ্যালৈ বাণিজ্যিক বিমান সেৱাৰ শুভাৰম্ভ কৰিব। বিমান যাত্ৰা নিৰাপদ, বহনসাধ্য আৰু সকলোৰে বাবে সুলভ কৰি তোলাৰ প্ৰতিশ্ৰুতি অনুযায়ী প্ৰধানমন্ত্ৰীয়ে লগতে ৪১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া হিছাৰৰ **মহাৰাজ অগ্ৰসেন** বিমান বন্দৰৰ নতুন আগমন-প্ৰস্থান ভৱনৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ এটা সমাৰেশতো ভাষণ দিব।  ইয়াৰ পাছত দুপৰীয়া প্ৰায় চাৰে ১২ বজাত প্ৰধানমন্ত্ৰীয়ে যমুনা নগৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে শ্ৰী মোদীয়ে এটা সমাৰেশত ভাষণ দিব।

ooooo

ঝাৰখণ্ডৰ পশ্চিম সিংহভুম জিলাৰ জৰাইকেলা থানা এলেকাত কালি চলোৱা তালাচী অভিযানৰ সময়ত নক্সালবাদীৰ সৈতে হোৱা সংঘৰ্ষত ঝাৰখণ্ড জেগুৱাৰ বাহিনীৰ এজন জোৱান ছহিদ হয় আৰু কোব্ৰা বেটেলিয়নৰ এজন জোৱানো গুৰুতৰভাৱে আহত হয়। আৰক্ষী অধীক্ষক আশুতোষ শেখৰে এই ঘটনাৰ বিষয়ে নিশ্চিত কৰি কৈছে যে, অভিযানৰ সময়ত আই ই ডি বিস্ফোৰণত আহত ঝাৰখণ্ড জেগুৱাৰৰ সুনীল ধান আৰু কোব্ৰা বেটেলিয়নৰ বিষ্ণু ছেইনীক বিমানেৰে উন্নত চিকিৎসাৰ বাবে ৰাছীলৈ নিয়া হয় যদিও তাত সুনীল ধানৰ মৃত্যু হয়। কোব্ৰা বেটেলিয়ন, চি আৰ অ' এফ, ঝাৰখণ্ড জেগুৱাৰ আৰু ছাইবাছা আৰক্ষী বাহিনীয়ে অঞ্চলটোত যৌথভাৱে অভিযান চলাই আছে।

ইপিনে, লাটেহাৰ জিলাত চলোৱা অন্য এটা নক্সাল বিৰোধী অভিযানত  আৰক্ষীয়ে  মাওবাদী সংগঠন টি পি চিৰ দুজন উপ-মাণ্ডলিক কামাণ্ডাৰসহ মুঠ ৬ জন নক্সালবাদীক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী অধীক্ষক কুমাৰ গৌৰৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে অভিযানত এটা স্বয়ংক্ৰিয় ৰিভলভাৰ, এখন বাইক আৰু এহেজাৰৰো অধিক কাৰ্টিজ জব্দ কৰা হৈছে।

ooooo

চৰকাৰে অহা বছৰ গণৰাজ্য দিৱস উপলক্ষে ঘোষণা কৰিবলগীয়া ২০২৬ বৰ্ষৰ পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন বিচাৰিছে। যোৱা ১৫ মাৰ্চত মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ৩১ জুলাই পৰ্যন্ত এই প্ৰক্ৰিয়া খোলা থাকিব। এই সন্মানৰ বাবে অকল ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলৰ জৰিয়তেহে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়াব পৰা যাব।

ooooo

ঝাৰখণ্ডৰ গোড্ডাত অৱস্থিত আদানী বিদ্যুৎ শক্তি প্ৰকল্পৰ দিটা গোটত হোৱা কাৰিকৰী বিজুতিৰ পৰিণতিত বাংলাদেশত বিদ্যুতৰ সমস্যাই দেখা দিছে। বাংলাদেশৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি প্ৰকল্পটোৰ প্ৰথমটো গোট বিজুলী উৎপাদন পহিলা এপ্ৰিলত বন্ধ কৰি দিয়া হৈছিল আৰু দ্বিতীয়টো গোটৰ পৰা প্ৰায় ৬৫০-৭০০ মেগাৱাট বিদ্যুৎ উৎপন্ন হৈ আছিল যদিও শুকুৰবাৰে মাজ নিশা প্ৰায় ১ মান বজাত সেয়াও বন্ধ হৈ পৰে।

পাৱাৰগ্ৰীড বাংলাদেশ পিএলচিৰ তথ্য অনুসৰি শনিবাৰে বিয়লি ৩ বজাত দেশখনত লোড শ্বেডিঙৰ সৰ্বোচ্চ স্তৰ ৪২৮ মেগাৱাটলৈ বৃদ্ধি পায়। এই সমস্যা অব্যাহত থাকিলে অনাগত সময়ত দেশখনত লোড শ্বেডিঙক লৈ অধিক অসুবিধাৰ সৃষ্টি হ'ব বুলি আশংকা কৰা হৈছে।

ooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ৱেভছ্ শীৰ্ষ সন্মিলন ২০২৫ৰ অংশ হিচাপে অনুষ্ঠিত থীম সংগীত প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম ঘোষণা কৰিছে। ৱেভছ্ শীৰ্ষ সন্মিলনৰ ৩২টা প্ৰত্যাহ্বানৰ অংশ হিচাপে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। সমগ্ৰ দেশৰ ১০০ৰো অধিক প্ৰতিযোগীৰ মাজৰ পৰা ছগৰাকীক বিজয়ী হিচাপে নিৰ্বাচিত কৰা হৈছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম আৰু মেঘালয়ৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে অহা ২৪ ঘণ্টাত কেৰালা, মাহে, অন্ধ্ৰপ্ৰদেশৰ উপকূলভাগ, য়ানম, ৰায়েলছিমা আৰু তেলেংগানাত বিজুলী-ঢেৰেকনীৰ লগতে বতাহ বলিব পাৰে বুলি প্ৰকাশ কৰিছে।

ooooo

ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নাম আৰু ঋষভ যাদৱে আমেৰিকাৰ ফ্ল'ৰিডাত চলি থকা আৰ্চাৰী বিশ্বকাপৰ প্ৰথম পৰ্যায়ত কম্পাউণ্ড শাখাৰ মিক্সড দলীয় শিতানত সোণৰ পদক অৰ্জন কৰিছে। ভাৰতীয় যুটীটোৱে যোৱা নিশা ৰোমাঞ্চকৰ ফাইনেলত চীনা টাইপেইৰ হুৱাং জাউ আৰু চেন চীহ্ লুনৰ যুটীটোক ১৫৩-১৫১ পইণ্টত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।  কম্পাউণ্ড শাখাৰ মিক্সড দলীয় শিতানক অলিম্পিকত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত ভাৰতীয় দল প্ৰথমবাৰ এই প্ৰতিযোগিতাত জয়ী হৈছে। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিয়ে অলপতে ২০২৮ চনত লছ এঞ্জেলছত হ'বলগীয়া অলিম্পিক ক্ৰীড়া মহোৎসৱত কম্পাউণ্ড মিক্সড শাখাক অন্তৰ্ভুক্ত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooo

মোহন বাগান ছুপাৰ জায়েণ্টে আই এছ এল ফুটবল প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। দলটোৱে কালি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত ফাইনেলত বেংগালুৰু ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰে। মোহন বাগানে এইবাৰ দ্বিতীয়বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। দলটোৱে ইয়াৰ পূৰ্বে ২০২২-২৩ বৰ্ষত প্ৰতিযোগিতাৰ ফাইনেলত জয় হৈছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে পাঞ্জাব কিংছক ৮ উইকেটত পৰাস্ত কৰে। হায়দৰাবাদৰ হৈ অভিষেক শৰ্মাই ৫৫ টা বলত ১৪টা বাউণ্ডেৰী আৰু ১০টা ছিক্সাৰৰ সহায়ত ১৪১ ৰান কৰে। এই প্ৰদৰ্শনৰ সুবাদত অভিষেক আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত এখন খেলত ব্যক্তিগতভাৱে সৰ্বাধিক ৰান সংগ্ৰহ কৰা ভাৰতীয় খেলুৱৈৰূপে পৰিগণিত হয়। খেলুৱৈগৰাকীয়ে কে এল ৰাহুলৰ ১৩২ ৰানৰ অভিলেখ ভংগ কৰে। ট্ৰেভিছ হেডে ৬৬ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাবৰ হৈ অৰ্শদ্বীপ সিং আৰু য়ুজবেন্দ্ৰ চহলে এটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৪৫ ৰান কৰে। পাঞ্জাবৰ হৈ শ্ৰেয়াছ আয়াৰে ৩৬ টা বলত ৮২ ৰান কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৰ্ষল পেটেলে চাৰিটা উইকেট দখল কৰে। অভিষেক শৰ্মাক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে, লক্ষ্ণৌত কালি অনুষ্ঠিত আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে-গুজৰাট টাইটানছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৮১ ৰাণৰ বিজয় লক্ষ্যৰে খেলি ১৯ অভাৰ আৰু ৩ টা বলত নিক'লাচ পুৰণ আৰু মাৰ্কৰামৰ অৰ্ধশতৰাণৰ সহায়ত ৪ টা উইকেট হেৰুৱাই ১৮৬ ৰাণ কৰে। ইয়াৰ আগেয়ে গুজৰাটে প্ৰথমে বেট ধৰি শুভমন গিলৰ ৬০ ৰাণ, ছাই সুদৰ্শনৰ ৫৬ ৰাণৰ সহায়ত ৬টা উইকেটৰ বিনিময়ত ১৮০ ৰাণ সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল খেলোৱা হ'ব। জয়পুৰত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ্ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে সন্ধিয়া চাৰে সাত বজাত দিল্লীত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ্ ডেলহী কেপিটেলছৰ সন্মুখীন হ'ব।

০০০০০

সমাপ্ত